# সফল কৃষি সফল উদ্যোগ

কেঁচুসাৰ উৎপাদন কৰিবলৈ লোৱাৰ সময়তে, গোলাপ ফুলৰ খেতি কৰিবলৈ পশ্চিম বঙ্গৰ পৰা এজন যোগনীয়াৰৰ সহায়ত গোলাপৰ পুলিও আনি ৰোপন কৰো। মুক্ত আকাশৰ তলত অসমতো যে এনে ধৰণৰ সুন্দৰ ফুল হ'ব পাৰে আমি ভাৰিবই পৰা নাছিলো। আমাৰ দ্বাৰা উৎপাদিত ফুল গুৱাহাটী, যোৰহাট আৰু নগাঁৱত বিক্ৰী কৰিছিলো। আমাৰ ফুলৰ ৰং, আকাৰ আৰু পাহি বিলাক ডাঠ হোৱাৰ বাবে বজাৰত চাহিদাও আছিল। গড়ে ১০০ ফুলত আমি ৩০০ টকাকৈ পাবলৈ সক্ষম হৈছিলো। ইতিমধ্যে মই Indian Rose Federation ৰ সদস্য হৈ বিভিন্ন Seminar ত উপস্থিত থাকি গোলাপৰ বিষয়ে কিছু জ্ঞানো উপলব্ধ কৰো। কিন্তু মোৰ বাবে পৰিতাপৰ কথা যে ৩/৪ বছৰ পিচত আগৰ গছবোৰ উঠাই নতুনকৈ ৰোপন কৰো যদিও উন্নত জাতৰ পুলি নোহোৱা বাবে ভাল ফুল নাপালো।

অসমৰ মাননীয়া কৃষি মন্ত্ৰী শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মাক আমি নতুন দিল্লীত অনুষ্ঠিত এখন জৈৱিক কৃষিৰ প্ৰদৰ্শনীত প্ৰথম বাৰৰ বাবে লগ পাওঁ। তেখেতৰ উৎসাহতে আমি ফুলৰ খেতিক পূৰ্ণ মাত্ৰাত বাণিজ্যিক ৰূপ দিবলৈ সংকল্পবদ্ধ হওঁ। এই ছেগতে মাননীয়া মন্ত্ৰী মহোদয়াক আমি কৃতজ্ঞতাৰে স্মৰণ কৰিছো।

শেহতীয়াকৈ, আমি অসম চৰকাৰৰ উদ্যান সঞ্চালকালয়ৰ পৰা এন্থুৰিয়াম ফুলৰ খেতিৰ বাবে বিশেষ অনুদান লাভ কৰিছো আৰু বৃহৎ আকাৰৰ এটি Poly House নিৰ্মাণ কৰাই তাতে ১১,০০০ পুলি ৰোপণ কৰি প্ৰতিপালন কৰি আছো। মুঠতে অসম চৰকাৰৰ উদ্‌গনীতে কৃষি কাৰ্য্যত জড়িত হোৱাৰ লগতে সোতৰো অধিক পৰিয়ালক আৰ্থিক সকাহ দিব পাৰিছো।

মই ইয়াকে ক'ব খোজো যে আজি মই যিটো অৱস্থানত উপনিত হৈছোহি সেইটো অসম চৰকাৰৰ উদ্যান শস্য সঞ্চালকালয়ৰ বাবেহে সম্ভৱ হৈছে। শেষত মই এটা কথাই ক'ব খোজো যে, সফলতা নিজে নাহে সফল হ'বলৈ সফলতাক বিচাৰি যাব লাগিব।

